# অসম আদিত্য

১১ মাঘ, ১৯৪৬ শক ■ শনিবাৰ, ২৫ জানুৱাৰী, ২০২৫ ■ Asom Aditya, Dibrugarh, Saturday, January 25, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহ




ব্যক্তিসকলৰ একাংশ

## াধ্যমিক
## ক প্ৰশিক্ষণ

ডিব্ৰুগড়, শিৱসাগৰ, লখিমপুৰ আৰু মাজুলীৰ পৰা অহা ৪৩৮গৰাকী উচ্চ মাধ্যমিক বিদ্যালয়ৰ বিজ্ঞান আৰু গণিত বিষয়ৰ শিক্ষকে এই আৱাসিক প্ৰশিক্ষণ কাৰ্যসূচীত অংশগ্ৰহণ কৰিছে। মনকৰিবলগীয়া যে ইয়াৰ পূৰ্বেও চাৰিবাৰকৈ 'সমগ্ৰ শিক্ষা, অসম'ৰ উদ্যোগত আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সহযোগিতাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ত এই প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হৈছিল।

## ডাম্পাৰ চলাচলত নিষেধাজ্ঞা প্ৰশাসনৰ

**ষ্টাফ ৰিপৰ্টাৰ, ২৪ জানুৱাৰী ঃ** গণৰাজ্য দিৱসৰ প্ৰতি লক্ষ্য ৰাখি ডিব্ৰুগড় জিলা প্ৰশাসনে কাইলৈ পুৱা ৮ বজাৰ পৰা ২৭ জানুৱাৰীৰ দুপৰীয়া ১২ বজালৈকে প্ৰযোজ্য হোৱাকৈ এক নিৰ্দেশনা জাৰি কৰি ডাম্পাৰ, নিৰ্মাণ সামগ্ৰী কঢ়িয়াই নিয়া যান-বাহনৰ চলাচল বন্ধ ঘোষণা কৰিছে। এই নিষেধাজ্ঞা ডিব্ৰুগড় পৌৰনিগম এলেকাৰ পৰা খনিকৰ চাৰিআলিলৈকে প্ৰযোজ্য হ'ব।

### ভাৰতীয় দৰ্শনক সকলো স্তৰতে প্ৰসাৰিত কৰিছে মৌখিক পৰম্পৰাই ঃ ড° বৰুৱা

# কানৈত ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা-চক্ৰ

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৪ জানুৱাৰী ঃ** মৌখিক পৰম্পৰাই ভাৰতীয় দৰ্শনক সমাজৰ সকলো স্তৰতে প্ৰসাৰিত কৰিছে। অসমৰ জনপ্ৰিয় কলা-সংস্কৃতি অনুষ্ঠান অসম জনকৃষ্টি সমাজ, ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ গৱেষণা আৰু উন্নয়ন কোষ, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ যুটীয়া উদ্যোগত অনুষ্ঠিত 'অ'ৰেলিটি আৰু ভাৰতীয় দৰ্শন' শীৰ্ষক বিষয়ৰ ওপৰত অনুষ্ঠিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ দুদিনীয়া আলোচনা-চক্ৰখনিৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভাষা অধ্যয়ন কেন্দ্ৰৰ প্ৰতিষ্ঠাপক সঞ্চালক, ভাষাবিদ, প্ৰফেচৰ এমেৰিটাছ ড০ ভীমকান্ত বৰুৱাই আজি এইদৰে কয়। অতিথিসকলক মুখ্য দ্বাৰৰ পৰা আঁৰতি কৰি এন চি চিৰ কেডেটে উষ্ম আদৰণি জনাই সভাগৃহলৈ অনা অনুষ্ঠানত ড০ বৰুৱাই কয়— ভাৱনাৰ পৰা আৰম্ভ কৰি এখন গ্ৰন্থই পূৰ্ণতা পোৱালৈকে মৌখিকতাই মুখ্য ভূমিকা গ্ৰহণ কৰে। দেশ-বিদেশৰ বিভিন্ন গ্ৰন্থৰ উদাহৰণৰ মাজেৰে তেওঁ মৌখিক পৰম্পৰাৰ মাজত থকা ভাৰতীয় দৰ্শনৰ এখন সাৰ্থক ছবি দাঙি ধৰে। মহাবিদ্যালয়ৰ অধ্যাপিকা সংক্ৰান্তি দেৱীয়ে আঁত ধৰা অনুষ্ঠানটিত উদ্বোধনী ভাষণ প্ৰদান কৰে তেজপুৰ বিশ্ববিদ্যালয়ৰ ইংৰাজী, বিদেশী ভাষা বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা বিশিষ্ট শিক্ষাবিদ, লেখক ড০ মদন মোহন শৰ্মাই। উদ্বোধনী ভাষণ প্ৰসংগত ড০ শৰ্মাই কয়— মানৱতাৰ সকলো দিশৰ উন্নয়নত মৌখিক পৰম্পৰাই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। কানৈ মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড০ দীপংকজ গগৈয়ে মহাবিদ্যালয়ৰ চমু আভাস দাঙি ধৰা অনুষ্ঠানটিত আদৰণী ভাষণ প্ৰদান কৰে কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা আলোচনা- চক্ৰৰ কাৰ্যকৰী সভাপতি ড০ শশীকান্ত শইকীয়াই। আদৰণী ভাষণ প্ৰসংগত অধ্যক্ষ ড০ শইকীয়াই কয় — প্ৰাচীন কালৰে পৰা ভাৰতৰ চহকী সাংস্কৃতিক ঐতিহ্য, মৌখিক পৰম্পৰা ভাৰতীয়সকলৰ মাজত গভীৰভাৱে শিপাই আছে, যিয়ে আমাৰ দাৰ্শনিক জ্ঞানক প্ৰজন্মৰ পিছত প্ৰজন্ম ধৰি শিক্ষা, জ্ঞান প্ৰদান কৰি সংৰক্ষণ কৰি ৰাখিছে। অনুষ্ঠানত অসম জনকৃষ্টি সমাজৰ 'জনকৃষ্টি' শীৰ্ষক গৱেষণা পত্ৰিকাখনি উন্মোচন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য তথা বিশিষ্ট শিক্ষাবিদ ড০ কন্দৰ্প কুমাৰ ডেকাই। গৱেষণা পত্ৰিকাখনি উন্মোচন কৰি ড০ ডেকাই লোক-সংস্কৃতিৰ চৰ্চা আৰু প্ৰসাৰত অসম জনকৃষ্টি সমাজে গ্ৰহণ কৰা ভূমিকাৰ ভূয়সী প্ৰশংসা কৰে। অনুষ্ঠানত কৃষ্ণগুৰু আধ্যাত্মিক বিশ্ববিদ্যালয়ৰ শৈক্ষিক পঞ্জীয়ক আৰু ডীন তথা অসম জনকৃষ্টি সমাজৰ সভাপতি ড০ মৃনাল কুমাৰ বৰা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ জনকৃষ্টি গৱেষণা বিভাগৰ মুৰব্বী ড০ অনিল কুমাৰ বড়ো, এবিলাকৰ প্ৰাক্তন সঞ্চালক ড০ দীলিপ কুমাৰ কলিতা, ৰাভা হাচং স্বায়ত্তশাসিত পৰিষদৰ প্ৰাক্তন মুৰব্বী ড০ শৰৎ চন্দ্ৰ ৰাভা, এবিলাকৰ সহযোগী অধ্যাপক ড০ কৰুণা কান্ত কাকতি, উত্তৰ-গুৱাহাটী মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ডেনিছ ৰাভা, কামৰূপ মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড০ সঞ্জীৱ গোস্বামী, কানৈ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি অভিমন্যু বৰুৱা, দাতা সদস্য জ্যোতি প্ৰসাদ কানৈ, পশ্চিমবংগস্থিত কল্যাণী বিশ্ববিদ্যালয়ৰ জনকৃষ্টি বিভাগৰ অধ্যাপক সুজয় কুমাৰ মণ্ডল উপস্থিত থাকি মননশীল বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানত ভালেসংখ্যক শিক্ষাবিদ, গণ্যমান্য ব্যক্তি, অধ্যাপক-অধ্যাপিকা আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। উল্লেখ্য যে দুদিনীয়া আলোচনা-চক্ৰখনিৰ আজি প্ৰথম দিনাৰ কাৰ্যসূচীত মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষ আৰু অধ্যক্ষৰ সভাকক্ষত সমান্তৰালভাৱে অনুষ্ঠিত হোৱা তিনিটা কাৰীকৰি সত্ৰত প্ৰায় ত্ৰিশগৰাকী বিভিন্ন মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, গৱেষক আৰু ছাত্ৰ-ছাত্ৰীয়ে গৱেষণা-পত্ৰ পাঠ কৰে। ৰাষ্ট্ৰীয় পৰ্যায়ৰ দুদিনীয়া আলোচনা-চক্ৰখনিৰ আজি প্ৰথম দিনাৰ কাৰ্যসূচী সুচাৰুৰূপে অনুষ্ঠিত কৰাত উদ্যোক্তা সমিতিৰ সমূহ কৰ্মকৰ্তাক অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই ধন্যবাদ জ্ঞাপন কৰে।






টে

## ষ্ট্ৰীৰ

পৌৰ নিৰ্বাচনত
স্থিত হৈছিল।
ৰ্তন কৰা হ'ল
কেইবাগৰাকী
ৰ
৬ পৃষ্ঠাত



প্ৰ

## তনিধিৰে

## ৰেশ

